অধ্যায় ১ ঃ উন্নয়ন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ উন্নয়নৰ অর্থ
১.৪ উন্নয়নৰ ধাৰণা
১.৫ উন্নয়নৰ বিকল্প পন্থা
১.৬ উন্নয়ন নির্ণয়কাৰী দিশবোৰৰ সূচী
১.৭ উন্নয়নৰ প্রভাৱশালী নিদর্শন
১.৭.১ উন্নয়নৰ প্রভাৱশালী নিদর্শনৰ প্রধান পৃষ্ঠপোষক
১.৭.২ উন্নয়নৰ প্রভাৱশালী নিদর্শনৰ সমালোচনা
১.৮ আধুনিকীকৰণ আৰু নির্ভৰশীলতাৰ দৃষ্টিভংগী
১.৯ উন্নয়নৰ কেন্দ্রীয় ক্ষেত্রসমূহ
১.১০ অর্থনৈতিক বিকাশ হিচাপে উন্নয়ন
১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১২ অধিক জানিবলৈ
১.১৩ অগ্রগতিৰ খতিয়ান
১.১৪ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

* উন্নয়নৰ ধাৰণাটো বুজি পাব
* উন্নয়নৰ বিভিন্ন পন্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব
* উন্নয়ন সংযোগৰ বিভিন্ন তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
* উন্নয়নৰ বিভিন্ন ক্ষেত্রৰ বিষয়ে অন্বেষণ কৰিব পাৰিব
* উন্নয়নৰ বাবে অর্থনৈতিক বিকাশ কিয় প্রয়োজনীয় সেয়া বুজি পাব

১.২ পৰিচয়

যিকোনো ৰাষ্ট্র অথবা সমাজৰ কল্যাণৰ মূল হ'ল উন্নয়ন। সমাজ এখনৰ সদস্যসকলে লাভ কৰা উন্নত স্বাস্থ্যযত্ন, নিম্ন হাৰৰ দৰিদ্রতা, উন্নত শিক্ষা ব্যৱস্থা, সমতা আৰু আধুনিক জগতৰ সৈতে খাপ খোৱা কৈ পছন্দ কৰাৰ স্বাধীনতা আদি দিশৰ ভিত্তিত সমাজখনৰ উন্নয়নৰ ৰেহৰূপ বুজাৰ প্রয়াস কৰা হয়।

উন্নয়নৰ সবাতোকৈ গুৰুত্বপূর্ণ উপাদান দুটা হ'ল নাগৰিকৰ জীৱন যাপনৰ মান উন্নত হোৱা আৰু দৰিদ্রতাৰ মাত্রা হ্রাস পোৱা। অর্থনৈতিক কাৰকে উন্নয়নক গভীৰভাৱে প্রভাৱিত

কৰে। কিন্তু অর্থনৈতিক বিকাশ ফলপ্রসূ কৰিবলৈ সামাজিক প্রগতি নিশ্চিত কৰাতো দৰকাৰ। ইয়াৰ ফলত সমাজত অর্থনৈতিক সমতা স্থাপন হোৱাৰ লগতে সামাজিক অসমতাৰ মাত্রা হ্রাস পায়।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আৰম্ভ হোৱা বিশ্বায়নৰ সৈতে সংগতি ৰাখি উন্নয়নৰ ধাৰণাটোৱেও বিভিন্ন ৰূপান্তৰ প্রক্রিয়াৰ মাজেৰে পাৰ হৈছে। উন্নয়নত গণ মাধ্যমবোৰৰ ভূমিকাকো নতুনকৈ সংজ্ঞাৱদ্ধ কৰা হৈছে। ইয়াৰ জৰিয়তে নতুনকৈ উত্থান ঘটা প্রত্যাহ্বান আৰু প্রত্যাশাবোৰৰ সন্মুখীন হোৱাৰ প্রয়াস কৰি অহা হৈছে।

সম্প্রতি গণ মাধ্যমবোৰে বিশ্বজনীন পৰিৱেশৰ সৈতে খাপ খোৱাকৈ উন্নয়নৰ জগতখনত নিজ ভূমিকা প্রতিষ্ঠা কৰাৰ প্রক্রিয়াটো সম্পাদন কৰি থকাৰ সময়ত মালিকীস্বত্ব, মাধ্যমবোৰৰ প্রসাৰ, ৰাজহ সৃষ্টি, প্রযুক্তিৰ ব্যৱহাৰ, সাংস্কৃতিক অসমতাৰ প্রতি মনোযোগ, ৰাজনৈতিক প্রভাৱ, বজাৰত ক্রিয়াশীল হৈ থকা শক্তিসমূহ আৰু প্রতিযোগিতা বিষয়ক দিশবোৰকে ধৰি অগণন কথাত সমানে গুৰুত্ব দিবলগীয়া হৈছে।

উন্নয়ন সংযোগে এনে কিছুমান সমস্যাত মনোনিৱেশ কৰে। সামগ্রিকভাৱে উন্নয়নৰ ধাৰণাটো বুজি পাবলৈ, বিশেষকৈ এখন উন্নয়নশীল ৰাষ্ট্রৰ ক্ষেত্রত ইয়াৰ গুৰুত্ব বুজিবলৈ ধাৰণাটোক কেন্দ্র কৰি বিকশিত হোৱা বিভিন্ন তত্ত্বৰ সম্যক জ্ঞান থকাটো জৰুৰী। এই অধ্যায়ত আলোচনাৰ বাবে গ্রহণ কৰা এনে দুটামান তত্ত্ব হ'ল উন্নয়নৰ প্রভাৱশালী নিদর্শন, আধুনিকীকৰণ আৰু নির্ভৰশীলতাৰ তত্ত্ব তথা উন্নয়নৰ বিকল্প পন্থাসমূহ।

১.৩ উন্নয়নৰ অর্থ

সমাজৰ বিকাশ আৰু প্রগতিত সহায় কৰা আৰু সমাজলৈ ইতিবাচক পৰিৱর্তন কঢ়িয়াই অনা প্রক্রিয়াটোকে উন্নয়ন বোলে। পাৰিপার্শ্বিকত থকা সমলবোৰৰ কোনো ক্ষতি নকৰাকৈ সমাজৰ অর্থনৈতিক, পৰিৱেশকেন্দ্রিক, সামাজিক আৰু জনসংখ্যামূলক উপাদানবোৰৰ বিকাশ সাধন কৰাত উন্নয়নে প্রধান ভূমিকা লয়। সম্প্রদায় এটাৰ জীৱন যাপনৰ মান উন্নত কৰাৰ সুযোগ দিয়া আৱশ্যকীয় চর্তবোৰ বাস্তৱ কৰি তোলা প্রক্রিয়াটোৱেই উন্নয়ন।

সামজিক দৃষ্টিকোণেৰে উন্নয়ন মানে হ'ল সামাজিক গাঁথনিটোত ঘটা পৰিৱর্তন অথবা সমাজ এখনৰ অন্তর্গত বিভিন্ন দল আৰু এককে সম্পাদন কৰা প্রকার্যবোৰ সলনি হোৱাৰ প্রক্রিয়া। ই এক উদ্ভাৱনীমূলক প্রক্রিয়া। সমাজে অইনৰ অভিজ্ঞতাৰ পৰা শিকনি লয় আৰু উপযোগী বুলি গণ্য কৰা কথাবোৰ বাছনি প্রক্রিয়াৰ মাধ্যমেৰে গ্রহণ কৰে। উন্নয়নৰ প্রকৃতি সকলো সময়তে বিকাশকেন্দ্রিক।

১৯৫০-৬০ৰ দশকত উন্নয়ন তাত্ত্বিক আৰু অনুশীলনকাৰীসকলে দৃঢ়ভাৱে কৈছিল যে ঔদ্যোগিকীকৰণ আৰু নগৰীকৰণ প্রক্রিয়াৰ মাজেৰে ঘটা আধুনিকীকৰণৰ জৰিয়তে উন্নয়নক বাস্তৱ ৰূপ দিব পৰা যায়।

১.৪ উন্নয়নৰ ধাৰণা

কোনো এখন সমাজ অথবা কোনো সম্প্রদায় এটাৰ সদস্যসকলৰ পাৰদর্শিতা, সমতা আৰু স্বাধীনতাক কেন্দ্র কৰি উন্নয়নৰ ধাৰণাটোৰ উত্থান ঘটে। একাংশ পণ্ডিতৰ মতে সমাজ এখনৰ উন্নয়ন মানে হ'ল সমাজৰ অংশ সম্প্রদায় এটাই বর্তমান অৱস্থাৰ পৰা কাংক্ষিত ভৱিষ্যতলৈ আগবাঢ়ি যোৱাৰ এটা প্রক্রিয়া।

আদর্শগতভাৱে উন্নয়ন হ'ল কোনো এটা জাতিয়ে প্রগতিৰ পথেৰে অগ্রসৰ হোৱাৰ বাবে নিজে স্থিৰ কৰি লোৱা এক লক্ষ্য। ই কোনো এখন নির্দিষ্ট সমাজৰ আকাংক্ষা, প্রত্যাশা আৰু পূর্বানুমানকৃত প্রয়োজনীয়তাৰ লগতে উপলব্ধ সমলবোৰৰ কথা সূচায়। উন্নয়ন সংযোগ ব্যৱস্থা, সংযোগৰ ধাৰণা আৰু সংযোগ বিষয়ক দৃষ্টিভংগীবোৰে মিলি যিকোনো সমাজ এখনৰ বাস্তৱক গঢ় দিয়ে।

উন্নয়নে সামাজিক পৰিৱর্তন প্রতিফলিত কৰে। উইল্‌বাৰ শ্রাম্‌-ৰ ভাষাত, "সামাজিক পৰিৱর্তন এনে এটা প্রক্রিয়া যিটোৰ লক্ষ্য হ'ল স্বৈচ্ছিক উন্নয়ন। এনে উন্নয়ন কার্যত বহুতো লোকে ভাগ ল'ব পাৰে আৰু কথাবোৰ ভালদৰে জনাসকলে নজনাসকলক সহায় কৰিব পাৰে।"

উন্নয়নে মানুহৰ জীৱন যাপনৰ মান উন্নত কৰাৰ প্রয়াস কৰে। এই প্রয়াসত উন্নতমানৰ খাদ্য, বাসস্থান, শিক্ষা, কর্মসংস্থাপন, অনাময় ব্যৱস্থা, পাৰিপার্শ্বিকৰ সুৰক্ষা আৰু স্বাস্থ্য সেৱাৰ দৰে দিশবোৰ সাঙোৰ খাই থাকে।

উন্নয়নে সমাজত মানৱীয় মর্যাদা আৰু সন্মানৰ পোষকতাকাৰী বিভিন্ন সামাজিক, ৰাজনৈতিক, অর্থনৈতিক ব্যৱস্থাৰ লগতে নানা অনুষ্ঠান-প্রতিষ্ঠানক আত্মপ্রকাশৰ সুযোগ দি অথবা সেইবোৰৰ দশা উন্নত কৰি মানুহৰ আত্মপ্রত্যয় বৃদ্ধিৰো প্রয়াস কৰে।

উন্নয়নে মানুহৰ স্বাধীনতা বৃদ্ধি হোৱা অৱস্থা এটাৰ কথাও বুজায়। সামগ্রী আৰু সেৱা, ভ্রমণ ব্যৱস্থা, সামাজিক-ৰাজনৈতিক যোগাযোগৰ মাত্রা তথা পৰিসৰ বৃদ্ধি হোৱাৰ ফলত মানুহৰ পছন্দ কৰাৰ স্বাধীনতা বাঢ়ি যোৱাটো হ'ল উন্নয়নৰ পৰিচায়ক। উন্নয়নে চৰকাৰৰ সিদ্ধান্ত গ্রহণ ক্ষমতাৰ বিকেন্দ্রীকৰণ ঘটাৰ পোষকতা কৰে। ফলত এই প্রক্রিয়াটোত সাধাৰণ লোকৰ অংশগ্রহণৰ মাত্রা বৃদ্ধি পায়।

আগতেই আলোচনা কৰা হৈছে যে উন্নয়নে মানুহৰ জীৱন যাপনৰ মান উন্নত কৰাৰ প্রয়াস কৰে। ইয়াৰ বাবে মানুহৰ পুষ্টিৰ দিশটোলৈ দৃষ্টি ৰাখিব পৰাকৈ বিভিন্ন পুষ্টি কার্যসূচী, মাতৃ তথা শিশুৰ স্বাস্থ্য বিষয়ক কার্যসূচী আৰু প্রাথমিক স্বাস্থ্য যত্নবিষয়ক কার্যসূচী গ্রহণ তথা ৰূপায়ণ কৰা হয়। এইবোৰে ব্যক্তিৰ লগতে সামাজিক ব্যৱস্থাবোৰৰো ৰূপান্তৰ সাধন কৰে। বর্তমান সময়ত উন্নয়ন বুলিলে নানা আর্থ-সামাজিক প্রক্রিয়া জড়িত হৈ থকা এটা সংযুক্ত প্রক্রিয়াৰ কথা বুজা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উন্নয়নৰ ধাৰণাটোৰ বাখ্যা আগবঢ়াওক।

.....

.....

.....

১.৫ উন্নয়নৰ বিকল্প পন্থা

উন্নয়নৰ বিকল্প পন্থা (Alternative Approaches to Development)বোৰে ব্যক্তিক সমাজৰ উর্দ্ধত ৰাখি কাম কৰাৰ কথা কয়। ই উন্নয়নমূলক চর্চা-আলোচনাবোৰত বহুত্ববাদৰ পোষকতা কৰে। এনে পন্থাবোৰে অংশগ্রহণ, সমতা আৰু অন্তর্ভুক্তকৰণক উন্নয়নৰ প্রধান উপাদান

বুলি গণ্য কৰে। এনে পন্থাই সমাজৰ অন্তিমগৰাকী ব্যক্তিলৈকে সকলোৰে মৌলিক প্ৰয়োজনীয়তা পূৰ কৰাত গুৰুত্ব দিয়ে আৰু প্ৰাকৃতিক সমলবোৰৰ অবাধ শোষণ ৰোধ কৰাৰ প্ৰয়োজনীয়তাত জোৰ দিয়ে। উন্নয়নৰ বিকল্প পন্থা দুটামান হ'ল মৌলিক প্ৰয়োজনীয়তা পন্থা (Basic Needs Appeoach), অন্য এক উন্নয়ন নিদৰ্শন (Another Development Paradigm), অংশগ্ৰহণমূলক পন্থা (Participatory Approach) আৰু অধিকাৰভিত্তিক পন্থা (Rights Based Approach)।

মৌলিক প্ৰয়োজনীয়তা পন্থা (Basic Needs Appeoach)

মৌলিক প্ৰয়োজনীয়তা পন্থাৰ উৎস হ'ল কল্যাণৰ ধাৰণা। ই মানুহৰ মৌলিক প্ৰয়োজনীয়তা পূৰণৰ দিশটোক যিকোনো উন্নয়নমূলক নীতিৰ কেন্দ্ৰীয় উদ্দেশ্য বুলি গণ্য কৰে আৰু এই প্ৰয়োজনীয়তাবোৰ বাস্তৱ কৰাত মনোনিৱেশ কৰে। মৌলিক প্ৰয়োজনীয়তা ৰূপণ কৰিব নোৱাৰা লোকসকলেই দৰিদ্ৰ অৱস্থাত থাকে। এই পন্থাটোৱে কল্যাণৰ পৰিমাপ আৰু ফলাফলবোৰ চিনাক্ত তথা নিৰূপণ কৰে। মৌলিক প্ৰয়োজনীয়তা পন্থাই খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ দৰে ভৌতিক প্ৰয়োজনীয়তাবোৰৰ লগতে কৰ্মসংস্থাপন, অংশগ্ৰহণ আৰু ৰাজনৈতিক স্বাধীনতাৰ দৰে অনা-ভৌতিক প্ৰয়োজনীয়তাবোৰৰ মান নিৰ্ধাৰণ কৰে। প'ল ষ্ট্ৰীটেন আৰু আন একাংশ তাত্ত্বিক এই পন্থাৰ সমৰ্থক।

মৌলিক প্ৰয়োজনীয়তা পন্থাৰ মূল বৈশিষ্ট্যবোৰ হ'ল-

* পৰ্যাপ্ত খাদ্য আৰু পৰিষ্কাৰ খোৱাপানীৰ যোগান ধৰা
* বাসোপযোগী আশ্ৰয়গৃহৰ সুবিধা কৰি দিয়া
* শিক্ষা লাভৰ সুযোগ দিয়া
* জীৱিকাৰ সুৰক্ষা প্ৰদান কৰা
* সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ভাগ লোৱাত মানুহক সহায় কৰা
* ব্যক্তিৰ আত্মসন্মান আৰু মৰ্যাদা অক্ষুণ্ণ ৰখা।

অন্য এক উন্নয়ন নিদৰ্শন (Another Development Paradigm)

জেন চাৰভিজ-এ ১৯৮৬ চনত উন্নয়নৰ এক নতুন নিদৰ্শন বিকশিত কৰিছিল। ইয়াক বহুলতা (Multiplicity) অথবা অন্য এক উন্নয়ন নিদৰ্শন নামেৰে জনা যায়। এই পন্থাৰ সংজ্ঞা অনুসৰি 'ৰাষ্ট্ৰভেদে ভিন ভিন প্ৰকৃতিৰ হ'ব পৰা এক অবিচ্ছেদ্য, বহুমাত্ৰিক আৰু দ্বন্দ্বাত্মক প্ৰক্ৰিয়া' হিচাপে উন্নয়নৰ পৰিকল্পনা কৰা হয়। তেওঁৰ পৰ্যবেক্ষণ অনুসৰি প্ৰতিখন দেশেই নিজৰ মৌলিক প্ৰয়োজনীয়তা, অন্তৰ্জাত বৈশিষ্ট্য (প্ৰতিখন সমাজৰ কেন্দ্ৰত শিপাই থকা), আত্ম-নিৰ্ভৰশীলতা, জৈৱ বৈচিত্ৰ্যৰ সমতা, অংশগ্ৰহণমূলক গণতন্ত্ৰ আৰু আন্তঃগাঁথনিমূলক ৰূপান্তৰৰ দৰে কাৰকবোৰৰ কথা মনত ৰাখি নিজাকৈ উন্নয়নৰ আৰ্হি গঢ়ি ল'ব লাগে।

অন্য এক উন্নয়ন নিদৰ্শন অথবা বহুলতা পন্থাৰ বৈশিষ্ট্যসমূহ হ'ল-

* বিকাশৰ ফলাফল বিতৰণৰ ক্ষেত্ৰত বৃহত্তৰ সমতা প্ৰদৰ্শন
* সাধাৰণ লোকৰ অধিক অংশগ্ৰহণ
* আত্ম-নিৰ্ভৰশীলতা আৰু স্বাধীনতা
* পৰম্পৰাগত আৰু আধুনিক সংযোগ ব্যৱস্থাবোৰৰ মাজত সংহতি স্থাপন
* স্থানীয় সংস্কৃতিক স্বীকৃতি প্ৰদান।

অংশগ্রহণমূলক পন্থা (Participatory Approach)

এই পন্থাই মানুহক উন্নয়নমূলক প্রক্রিয়াবোৰৰ মধ্যমণি বুলি গণ্য কৰে। ই বহুলতা পন্থাৰ ৰূপৰেখাৰ মাজতে নিজৰ ক্ষেত্রত প্রাসংগিক ধাৰণাবোৰ সংযোজিত কৰি লয়। অংশগ্রহণমূলক পন্থাই স্থানীয় সম্প্রদায়বোৰৰ সাংস্কৃতিক পৰিচয়ৰ তাৎপর্যক গুৰুত্ব দিয়ে, সমাজৰ গণতান্ত্রিকীকৰণত জোৰ দিয়ে আৰু উন্নয়নৰ সকলো স্তৰতে মানুহৰ অংশগ্রহণৰ প্রয়োজনীয়তাক স্বীকৃতি দিয়ে। এই পন্থাই অংশগ্রহণমূলক গণতন্ত্রৰ প্রয়োজনীয়তাত জোৰ দিয়ে আৰু সবলীকৃত জ্ঞানৰ সহায়ত শোষিত লোকৰ শ্রেণীটোৰ উন্নতি সাধনৰ আহ্বান জনায়।

অংশগ্রহণমূলক পন্থাৰ বৈশিষ্ট্যসমূহ হ'ল-

* তথ্য আৰু উন্নয়নৰ আন আন সা-সুবিধাবোৰ বিতৰণৰ ক্ষেত্রত সমতা

* উন্নয়নমূলক কাম-কাজত তৃণমূল পর্যায়ৰ পৰাই সমাজৰ সকলো সদস্যৰ সক্রিয় অংশগ্রহণ

* নিজ নিজ উদ্দেশ্য আগত ৰাখি উন্নয়নমূলক প্রকল্পবোৰত ভাগ ল'বলৈ স্থানীয় সম্প্রদায়বোৰক স্বাধীনতা প্রদান

* পৰম্পৰাগত আৰু আধুনিক ব্যৱস্থাবোৰৰ মাজত সংহতি স্থাপন।

অধিকাৰভিত্তিক পন্থা (Rights Based Approach)

মানৱ অধিকাৰ হিচাপে স্বীকৃত অধিকাৰবোৰ সকলো মানুহৰে প্রাপ্য মৌলিক অধিকাৰ আৰু স্বাধীনতা। ঐতিহাসিক দৃষ্টিৰে এই অধিকাৰসমূহৰ স্বীকৃতিয়ে সমাজৰ সংখ্যালঘূ সম্প্রদায় আৰু আন দুর্বল শ্রেণীবোৰক ক্ষমতাৰ সংৰচনাটোক প্রত্যা হ্বান জনাব পৰা সুবিধাবোৰৰ নিশ্চিতি প্রদান কৰে আৰু বঞ্চিত হৈ থকা সুযোগ-সুবিধাবোৰ লাভ কৰাত সহায় কৰে। এনে সুযোগ-সুবিধাৰ ভিতৰত নাগৰিক অধিকাৰ আৰু ৰাজনৈতিক স্বাধীনতা, অর্থনৈতিক-সামাজিক-সাংস্কৃতিক অধিকাৰ আৰু উন্নয়নৰ অধিকাৰ আদিক সামৰি লোৱা হয়। উন্নয়নৰ অধিকাৰে আকৌ সকলোকে অংশগ্রহণ কৰাৰ, অৱদান আগবঢ়োৱাৰ তথা অর্থনৈতিক-সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক উন্নয়ন উপভোগ কৰাৰ অধিকাৰ প্রদান কৰে।

এই পন্থাটোৱে ব্যক্তিকেন্দ্রিক উন্নয়নৰ পোষকতা কৰে। ই 'মানৱ ব্যক্তি' (the Human Person)ক ইয়াৰ কেন্দ্রীয় বিষয় হিচাপে গ্রহণ কৰে। মানুহেই উন্নয়নত ভাগ লয় আৰু মানুহেই উন্নয়নৰ হিতাধিকাৰী। অধিকাৰভিত্তিক পন্থা অনুসৰি 'আটাইবোৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সম্পূর্ণৰূপে বাস্তৱ' কৰিব পৰাকৈ উন্নয়নমূলক কার্যকলাপ ৰূপায়ণ কৰিব লাগে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰা।

(ক) প'ল ষ্ট্রীটেন আৰু একাংশ তাত্বিক .....পন্থাৰ সমর্থক।

(খ) তেওঁৰ (জেন চাৰভিজ) পর্যবেক্ষণ অনুযায়ী ..... নিজৰ মৌলিক প্রয়োজনীয়তা, ... (প্রতিখন সমাজৰ কেন্দ্রত শিপাই থকা), আত্ম নির্ভৰশীলতা, জৈৱ বৈচিত্রঞ্জ্যৱ সমতা, অংশগ্রহণমূলক গণতন্ত্র আৰু আন্তঃগাঁথনিমূলক ৰূপান্তৰৰ দৰে কাৰকবোৰৰ কথা মনত ৰাখি নিজাকৈ উন্নয়নৰ আর্হি গঢ়ি ল'ব লাগে।

(গ) ই 'মানৱ ব্যক্তি' (the Human Person)ক ইয়াৰ কেন্দ্রীয় বিষয় হিচাপে গ্রহণ কৰে। মানুহেই উন্নয়নত ভাগ লয় আৰু মানুহেই উন্নয়নৰ হিতাধিকাৰী।

১.৬ উন্নয়ন নির্ণয়কাৰী দিশবোৰৰ সূচী

উন্নয়নৰ প্ৰধান সামাজিক সূচকবোৰ হ'ল শিক্ষা, স্বাস্থ্য, কৰ্মসংস্থাপন, নিবনুৱাৰ সংখ্যা হ্ৰাসভৱন আৰু সামাজিক লিংগভিত্তিক সমতা।

আন্তৰ্জাতিক সংস্থাবোৰে তলত উল্লেখ কৰা নিৰ্ণয়কাৰী দিশবোৰ বিবেচনা কৰি দেশ এখন কিমান উন্নত সেয়া জুখি চায়।

* জনমূৰি আয়
* দেশখনৰ অৰ্থনৈতিক সংৰচনা
* নগৰীকৰণ প্ৰক্ৰিয়া
* জীৱন যাপনৰ মান
* মানৰ উন্নয়ন সূচ্যাংক (Human Development Index)।

১.৭ উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শন

উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শন (Dominant Paradigm of Development) অনুসৰি উন্নয়নক সদায় 'আধুনিকীকৰণ'ৰ দিশেৰে বিচাৰ কৰি চোৱা হয়। এই চিন্তাটোৰ দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বিকাশ ঘটিছিল। এই নিদৰ্শন দৃষ্টিভংগীটোক পৰিচালিত কৰা কেন্দ্ৰীয় ধাৰণাটো হ'ল অনুন্নত দেশবোৰক আধুনিক কৰি তুলি উন্নয়নৰ সমস্যাবোৰ সমাধান কৰা।

শেহতীয়া দশকবোৰত ঔপনিৰেশিক শাসনৰ পৰা মুক্ত হোৱা দেশবোৰৰ বাবে উন্নয়ন হ'ল সূক্ষ্ম গৱেষণা আৰু গভীৰ অধ্যয়ন কৰিবলগীয়া এটা গুৰুত্বপূৰ্ণ বিষয়। উন্নয়ন বিষয়ক প্ৰাৰম্ভিক তত্ত্ববোৰৰ ভেটি হ'ল উন্নয়নৰ পশ্চিমীয়া আৰ্হি। এই আৰ্হিবোৰে প্ৰধানকৈ ঔদ্যোগিকীকৰণ আৰু প্ৰযুক্তিবিদ্যাৰ নতুন উদ্ভাৱনবোৰ গ্ৰহণ কৰাৰ পোষকতা কৰিছিল। এনে এটা প্ৰধান তত্ত্ব হ'ল উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শন অথবা আধুনিকীকৰণ তত্ত্ব। এই তত্ত্বই ঔদ্যোগিকীকৰণ, মুক্ত বজাৰ আৰু নগৰীকৰণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে উন্নয়নৰ পশ্চিমীয়া আৰ্হিটো সলনি কৰাৰ পৰামৰ্শ দিয়ে। তত্ত্বটোৰ মতে সাহায্য প্ৰদানকাৰী সংগঠন, অনা-চৰকাৰী সংস্থা, ৰাষ্ট্ৰসংঘৰ বিভিন্ন শাখা আৰু বহুদেশীয় সংগঠনবোৰৰ সহায়ত উন্নয়নক বিশ্বৰ 'অনগ্ৰসৰ' অঞ্চলবোৰলৈ 'লৈ' যোৱা উচিত।

১৯৪১ চনৰ আটলাণ্টিক চনদ আৰু ১৯৪৮ চনৰ মাৰ্শ্বাল পৰিকল্পনাৰ দ্বাৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰক বিশ্বৰ অনুন্নত দেশবোৰৰ অৱস্থা উন্নত কৰিবলৈ বৈজ্ঞানিক প্ৰগতি আৰু ঔদ্যোগিক বিকাশে বাস্তৱ কৰি তোলা সা-সুবিধাবোৰ ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিয়া হৈছিল। অৱশ্যে পৰৱৰ্তী সময়ত মাৰ্শ্বাল পৰিকল্পনাক চোভিয়েট ইউনিয়নৰ দ্বাৰা সৃষ্ট কমিউনিষ্ট আগ্ৰাসনৰ প্ৰত্যুত্তৰ দি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক আধিপত্যবাদ প্ৰতিষ্ঠা কৰাৰ এক প্ৰয়াস বুলি কঠোৰভাৱে সমালোচনা কৰা হৈছিল।

উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শন অথবা আধুনিকীকৰণ দৃষ্টিভংগীৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল-

* ই উদ্যোগক অৰ্থনীতিৰ প্ৰধান চালিকা শক্তি বুলি গণ্য কৰে। সেয়েহে ই বিনিয়োগৰ এক বুজন অংশ উদ্যোগ খণ্ডত প্ৰয়োগ কৰাটোক সমৰ্থন কৰে। এই খণ্ডটোৰ বাবে প্ৰয়োজনীয় উপাদানবোৰ হ'ল কেঁচামাল, পৰিবহন ব্যৱস্থা আৰু প্ৰশিক্ষণ।

* আধুনিক সমাজ এখনত প্ৰতিটো ক্ষেত্ৰতে (স্বাস্থ্য আৰু উদ্যোগ) সাধাৰণ বৃত্তিজীৱিতকৈ বিশেষ ব্যুৎপত্তি থকা বৃত্তিজীৱিৰ অধিক প্ৰয়োজন।

* অংশগ্রহণমূলক প্রশাসন আৰু মানৱ কল্যাণৰ বাবে ৰাজহুৱা শিক্ষা ব্যৱস্থা, স্বাস্থ্যযত্ন আৰু পৰিয়াল পৰিকল্পনা আদিৰ দৰে বিষয়বোৰত সংশ্লিষ্ট সকলো পক্ষৰে ব্যাপক হস্তক্ষেপৰ প্রয়োজন।

* উদ্যোগৰ পৰা আহৰণ কৰা লাভৰ অংশ কৃষি আৰু গ্রাম্য প্রযুক্তিবিদ্যাৰ দৰে আন খণ্ডবোৰক প্রদান কৰা উচিত।

* দ্রুত উন্নয়ন সাধন কৰিবলৈ সকলো আৱশ্যকীয় তথ্য প্রসাৰ কৰিব লাগে আৰু বিভিন্ন কথাত জনগণক পতিয়ন নিয়াবলৈ গণ মাধ্যমবোৰ ব্যৱহাৰ কৰিব লাগে।

আধুনিকীকৰণ দৃষ্টিভংগীৰ মতে নগৰীকৰণ আৰু ঔদ্যোগিকীকৰণ হ'ল আধুনিক অৱস্থাত উপনীত হোৱাত সহায় কৰিব পৰা সবাতোকৈ ফলপ্রসূ পথ।

১.৭.১ উন্নয়নৰ প্রভাৱশালী নিদর্শনৰ প্রধান পৃষ্ঠপোষক

উন্নয়নৰ প্রভাৱশালী নিদর্শনে উন্নয়নৰ পশ্চিমীয়া ধাৰণাটো যান্ত্রিকভাৱে অনুসৰণ কৰাৰ পোষকতা কৰে। ই আন দেশৰ নৃগোষ্ঠীয় সংস্কৃতি আৰু ইতিহাসৰ কথা বিবেচনা নকৰে। ই গণ মাধ্যমবোৰক উন্নয়নক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব পৰা এটা শক্তিশালী উপাদান বুলি গণ্য কৰে। এই দৃষ্টিভংগী অনুসৰণকাৰীসকলে আর্থ-সামাজিক পৰিৱর্তন সাধন কৰাত গণ মাধ্যমবোৰৰ শক্তিশালী প্রভাৱৰ প্রমাণ লাভ কৰিছে। এই তত্ত্বৰ কেইগৰাকীমান প্রধান পৃষ্ঠপোষকৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।

ডেনিয়েল লের্নাৰ (Daniel Lerner)

১৯৫৮ চনত ডেনিয়েল লের্নাৰৰ কিতাপ *'The Passing of the Trditional Society and Modernising the Middle East'* প্রকাশিত হৈছিল। তেওঁৰ মতে নগৰীকৰণ, সাক্ষৰতা, গণ মাধ্যম সম্পর্কে প্রয়োজনীয় জ্ঞান আৰু ৰাজনৈতিক অংশগ্রহণ আদিয়ে পৰম্পৰাগত কৃষিজীৱি সম্প্রদায়বোৰক আধুনিক ঔদ্যোগিক সমাজলৈ সলনি হোৱাত সহায় কৰে। লের্নাৰে কৈছিল যে উন্নয়নৰ প্রয়াসবোৰ ব্যর্থ হোৱাৰ কাৰণ হ'ল তৃতীয় বিশ্বৰ বাসিন্দাসকল আধুনিক সমাজৰ নতুন ভূমিকা আৰু জীৱন যাপনৰ পৰিবর্তিত উন্নত উপায়ৰ কথা কল্পনা কৰিবলৈ অথবা তেনে কথাৰ সৈতে সহমর্মিতা স্থাপন কৰিবলৈ অপাৰগ। এইবোৰ কাৰণতে এনে সমাজবোৰ অদৃষ্টবাদী হৈ ৰয়। তেওঁ গণ মাধ্যমবোৰক পৰিৱর্তনৰ কথা প্রচাৰ কৰি মানুহৰ মাজত পৰিৱর্তনক আঁকোৱালি লোৱাৰ আগ্রহৰ সৃষ্টি কৰিব পৰা উপায় হিচাপে গণ্য কৰিছিল। পৰম্পৰাগত প্রথা আৰু বিশ্বাস সলনি কৰাৰ, ৰাজনৈতিক আৰু অর্থনৈতিক অংশগ্রহণ বাস্তৱায়িত কৰাৰ আৰু সামগ্রিক সামাজিক উন্নয়ন সাধন কৰাৰ এটা পূর্বচর্ত হ'ল মানুহক উচ্চহাৰত গণ মাধ্যমৰ দ্বাৰা প্রচাৰিত কার্যসূচীবোৰ উপভোগ কৰিবলৈ দিয়া। উন্নয়নৰ কামত গণ মাধ্যমবোৰক 'গুণক' আৰু 'সংবৃদ্ধিকাৰক' হিচাপে বিবেচনা কৰা হৈছিল। গণ মাধ্যমবোৰে মানুহৰ মনত নতুন ধাৰণাৰ জন্ম দিয়াতো গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছিল।

উইলবাৰ শ্রাম্ (Wilbur Schramm)

১৯৭৯ চনত প্রকাশিত গ্রন্থ *'Mass Media and National Development'* ত উইলবাৰ শ্রামে লের্নাৰৰ মতক সমর্থন কৰিছিল। শ্রাম্ গণ মাধ্যমৰ সহায়ত 'আধুনিকীকৰণ' ঘটোৱাৰ পক্ষপাতী আছিল। তেওঁ গণ মাধ্যমক 'যাদুকৰী গুণক' আৰু 'সামাজিক পৰিৱর্তনৰ

প্রতিভূ' বুলি অভিহিত কৰিছিল। গণ মাধ্যমবোৰৰ মানুহক তথ্য অৱগত কৰোৱা, শিক্ষিত কৰি তোলা আৰু কোনো কথাত পতিয়ন নিওৱাৰ যাদুকৰী ক্ষমতা আছে। ই কোনো এটা সম্প্রদায়ত নতুন প্রথা-পৰম্পৰা আৰু অনুশীলনৰ প্রচলন ঘটাব পাৰে। শ্রামৰ যুক্তি অনুসৰি যদি কোনো দেশে উন্নয়নৰ গতি দ্রুত কৰিব খোজে তেন্তে সেই দেশে তথ্য খৰতকীয়া আৰু ব্যাপকভাৰে প্রচাৰ তথা প্রসাৰ কৰিব লাগে। ইয়াৰ ফলত প্রাসংগিক তথ্য সকলোৱে লাভ কৰিব, সেইবোৰৰ প্রয়োজনীয়তা অনুধাৱন কৰিব আৰু সেইবোৰক বাস্তৱত পৰিণত কৰাৰ সুযোগবোৰৰ বিষয়ে অৱগত হ'ব।

ৱাল্ট হুইটমেন ৰ'ষ্ট' (Walt Whitman Rostow)

ৱাল্ট হুইটমেন ৰ'ষ্ট'ই ১৯৬০ চনত বিকাশ আৰ্হিৰ ৰৈখিক স্তৰ (linear stages of growth model) পাঁচটা নির্ধাৰণ কৰিছিল। এই পাঁচটা সংক্রমণশীল স্তৰত 'আধুনিক ঔদ্যোগিক সমাজ' এখন নির্মাণৰ পথ নিৰ্দ্ধপণ কৰি ল'ব পৰা যায়। এই স্তৰ পাঁচটা হ'ল- পৰম্পৰাগত সমাজ, উৰ্দ্ধমুখী গতি লোৱাৰ পূর্বচর্ত (এই চর্তবোৰ পৰম্পৰাগত অর্থনীতিত নিহিত থাকে), উৰ্দ্ধমুখী গতি, পৰিপক্কতাৰ দিশে অগ্রগতি আৰু উচ্চহাৰৰ গণ উপভোগৰ কাল। পৰম্পৰাগত সমাজবোৰ অনমনীয় সামাজিক সংৰচনা আৰু অযুক্তিকৰ মনোবৈজ্ঞানিক ভাৱাদর্শেৰে বন্ধা আছিল। ৰ'ষ্ট'ৰ আৰ্হি মতে এখন দেশে উৰ্দ্ধমুখী গতিৰ স্তৰত উপনীত হ'বলৈ উন্নয়নৰ কিছুমান নীতি-নিয়ম মানি চলিব লাগে। এই নীতি-নিয়মবোৰ হ'ল-

ক) দেশখনৰ বিনিয়োগ হাৰ বৃদ্ধি হোৱা উচিত। এই হাৰ ইয়াৰ সর্বমুঠ ঘৰুৱা উৎপাদনৰ অতি কমেও দহ শতাংশ হ'ব লাগে।

খ) বিকাশৰ উচ্চ হাৰ থকা এটা নাইবা দুটা নির্মাণ খণ্ড স্থাপন কৰা উচিত।

গ) এই খণ্ডবোৰৰ সম্প্রসাৰণৰ বাবে এক আনুষ্ঠানিক, ৰাজনৈতিক আৰু সামাজিক ৰূপৰেখা থাকিব লাগে অথবা প্রস্তুত কৰি ল'ব লাগে।

ৰ'ষ্ট'ৰ ধাৰণাটোত কিছুমান গুৰুতৰ আসোঁৱাহ আছিল। ধাৰণাটোৰ মতে স্তৰৰ এটা মৌলিক ক্রমৰ সহায়ত উন্নয়নক বাস্তৱ ৰূপ দিব পৰা যায় আৰু এই ক্রমটো সকলো দেশৰ ক্ষেত্রতে প্রযোজ্য।

এভেৰেট্ এম ৰোজাৰচ্ (Everett M Rogers)

ৰোজার্চে ১৯৬২ চনত বিকশাই তোলা উদ্ভাৱনৰ প্রসাৰ তত্ত্ব (the Diffusion of Innovation Theory)টোৱে আধুনিকীকৰণৰ নিদর্শনৰ অর্থনৈতিক তথা প্রযুক্তিবিদ্যাগত দিশবোৰত গুৰুত্ব দিয়ে। তত্ত্বটোৰ মতে আধুনিকীকৰণ হ'ল প্রসাৰৰ জৰিয়তে সম্পন্ন হোৱা এটা প্রক্রিয়া। এই প্রক্রিয়াৰ মাধ্যমেৰে ব্যক্তিক জীৱন যাপনৰ পৰম্পৰাগত পদ্ধতিবোৰ এৰি এটা সুকীয়া কিন্তু কাৰিকৰী দিশেৰে উন্নত জীৱন যাপন পদ্ধতি গ্রহণ কৰিবলৈ পতিয়ন নিওৱা হয়। এই প্রসাৰ প্রক্রিয়াত গণ সংযোগৰ গুৰুত্বত জোৰ দি ৰোজার্চে কৈছিল যে সজাগতা সৃষ্টিৰ এটা দ্বি-ঢাপ প্রৱাহ প্রক্রিয়াৰ মাধ্যমেৰে ইয়াৰ প্রভাৱে ক্রিয়া কৰে। আন্তঃ-ব্যক্তিগত চেনেল, বিশেষকৈ 'মতামত প্রদানকাৰী নেতা'ৰ দ্বাৰা অনুকুল মনোভাৱ গঢ়ি তুলিব পৰা যায় আৰু এনেকৈয়ে মানুহে নতুন পদ্ধতিৰ সৈতে খাপ খাই পৰে।

১.৭.২ উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শনৰ সমালোচনা

উন্নয়নৰ প্ৰযুক্তিবিদ্যাগত আৰু অৰ্থনৈতিক দিশবোৰত অত্যধিক গুৰুত্ব দিয়াৰ দোষত এই আৰ্হিটোক সমালোচনা কৰা হয়। আৰ্হিটোৱে উন্নয়নশীল দেশবোৰৰ সম্প্ৰদায়সমূহে মানি চলা পৰম্পৰাগত জ্ঞানক যথাযোগ্য স্বীকৃতি নিদিয়ে আৰু মানৱ অধিকাৰ, পাৰিপাৰ্শ্বিক, ব্যক্তিগত স্বাধীনতা, গণতান্ত্ৰিক অংশগ্ৰহণ আদিৰ দৰে বিষয়ত ইচ্ছাকৃতভাৱে নীৰৱ। উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শনৰ ক্ষেত্ৰত সংযোগ হ'ল এটা বৈখিক গণ প্ৰচাৰ মাধ্যম আৰ্হি। এই ধাৰণাটোৱে এটা উলম্ব পদ্ধতিৰ ওপৰৰ পৰা তললৈ গতি কৰা নিয়মেৰে গণ মাধ্যমবোৰৰ জৰিয়তে তথ্য আৰু বাৰ্তা প্ৰচাৰ কৰাৰ আৰ্হি এটা আগবঢ়ায়। উন্নয়ন সংযোগৰ আৰ্হি বিকশাই তোলাৰ সময়ত গণ প্ৰচাৰ মাধ্যমবোৰৰ পতিয়ন নিয়াব পৰা ক্ষমতাত দৃঢ় বিশ্বাস আৰোপ কৰা হৈছিল আৰু উন্নয়ন বিষয়ক ধাৰণাবোৰ গ্ৰহণ কৰাৰ বাবে মানুহৰ মনত প্ৰত্যয় জন্মাবলৈ গণ প্ৰচাৰ মাধ্যমবোৰৰ ব্যৱহাৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আন্তঃৰাষ্ট্ৰীয় সংস্থাবোৰৰ মতে উন্নয়নৰ সূচাংক কি ?

প্ৰশ্ন নং ৪ ঃ ই এম ৰজাৰ্চৰ মতে গণ সংযোগে উন্নয়ন প্ৰক্ৰিয়া কেনেদৰে ত্বৰান্বিত কৰে, ব্যাখ্য কৰক।

.....

১.৮ আধুনিকীকৰণ আৰু নিৰ্ভৰশীলতাৰ দৃষ্টিভংগী

পুঁজিবাদৰ সৈতে পৰিচিত হোৱাৰ পাছতো লেটিন আমেৰিকা, এচিয়াৰ দেশবোৰ আৰু আফ্ৰিকাৰ বিভিন্ন অঞ্চলত উন্নয়ন সংঘটিত নোহোৱা বাবে **'আধুনিকীকৰণ'**ৰ দৃষ্টিভংগীটোৱে গা কৰি উঠিছিল।

অনুন্নত আৰু উন্নয়নশীল দেশবোৰৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰাৰ এক বিকল্প উপায় হিচাপে আধুনিকীকৰণ প্ৰক্ৰিয়াটো গ্ৰহণ কৰাৰ কথা কোৱা হৈছিল। এই দৃষ্টিভংগী মতে উন্নয়নশীল দেশবোৰত পশ্চিমীয়া গণতান্ত্ৰিক প্ৰমূল্যবোৰৰ প্ৰচলন ঘটাইহে আধুনিকীকৰণ সমভৱ কৰি তুলিব পৰা যাব। অৰ্থাৎ, আধুনিকীকৰণ তত্ত্বই ভাবে যে 'তৃতীয় বিশ্ব'ৰ দেশবোৰ 'প্ৰথম বিশ্ব'ৰ দৰে দেশবোৰৰ দৰে উন্নত হোৱা উচিত। এই তত্ত্বই উন্নয়নৰ দুটা দিশত গুৰুত্ব দিয়ে।

তত্ত্বটোৱে দুখীয়া দেশবোৰ কিয় দুখীয়া আৰু অনগ্ৰসৰতা কিয় আঁতৰা নাই তাৰ ব্যাখ্যা আগবঢ়ায়। উন্নত দেশবোৰৰ মতে অনুন্নত আৰু উন্নয়নশীল দেশবোৰৰ পৰ স্পৰা আৰু সংস্কৃতি আওপুৰণি আৰু যুগৰ সৈতে খাপ নোখোৱাবিধৰ। এই দেশবোৰে বৰ্তমানেও সেইবোৰকে খামুচি ধৰি আছে। একাংশ আধুনিকীকৰণৰ তাত্ত্বিকৰ মতে এই দেশবোৰে উন্নত দেশৰ পদাংক অনুসৰণ কৰি সহজেই উন্নয়নৰ পথেৰে অগ্ৰসৰ হ'ব পাৰে। আধুনিকীকৰণৰ তত্ত্বই উন্নয়নৰ পুঁজিবাদী ঔদ্যোগিক আৰ্হিক সমৰ্থন কৰে। ই দৃঢ়ভাৱে বিশ্বাস কৰে যে পুঁজিবাদৰ ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াৰে দেশ এখনক উন্নয়নৰ পথেৰে আগবঢ়াই লৈ যাব পৰা ক্ষমতা আছে।

লেটিন আমেৰিকাই বিশ্বাস কৰা সংৰচনাবাদ বিফল হোৱাৰ পাছত 'নিৰ্ভৰশীলতা'ৰ তত্ত্বটোৰ

বিকাশ ঘটে। আধুনিকীকৰণ আৰ্হিৰ প্ৰতিক্ৰিয়া হিচাপে ১৯৭০ৰ দশকত নিৰ্ভৰশীলতাৰ তত্ত্বটোৱে আত্মপ্ৰকাশ কৰে। এই নতুন তত্ত্ববোৰ হ'ল পৰীক্ষণবাদৰ মাৰ্ক্সবাদী তত্ত্বৰ প্ৰয়োগসাধ্য উপজ।

এই তত্ত্বটোক আমেৰিকা যুক্তৰাষ্ট্ৰৰ একাধিপত্যবাদী অৰ্থনীতি চিন্তাধাৰাৰ সমৰ্থক প'ল বেৰান (বিকাশৰ ৰাজনৈতিক অৰ্থনীতি) আৰু আন্দ্ৰে গুণ্ডেৰ ফ্ৰেংক (লেটিন আমেৰিকাত পুঁজিবাদ আৰু অনগ্ৰসৰতা)ৰ ৰচনাৰাজিয়ে প্ৰভাৱিত কৰিছিল। ই কেন্দ্ৰীয় মণ্ডল (উন্নত দেশবোৰ)ৰ দ্বাৰা পৰিমণ্ডল(অনুন্নত দেশবোৰ)ত চলা শোষণৰ লগতে পৰিমণ্ডলৰ অন্তৰ্গত দেশবোৰত সৃষ্টি হোৱা উদ্বৃত্ত সম্পদৰ নিষ্কৰ্ষণ আৰু স্থানান্তৰকৰণবো সমালোচনা কৰিছিল। ই পৰিমণ্ডলৰ অন্তৰ্গত দেশবোৰত ISI ভংগ হোৱাৰ কাৰণবোৰো সমালোচনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰি চাইছিল। তত্ত্বটোৰ মতে বিশ্বৰ পুঁজিবাদী ব্যৱস্থাটোৰ গতিবিজ্ঞানৰ পৰিধিৰ ভিতৰত গোষ্ঠীনিৰপেক্ষ দেশবোৰৰ অনগ্ৰসৰতাৰ কাৰণ নিৰ্ণয় কৰাটো প্ৰথম কাম হোৱা উচিত।

নিৰ্ভৰশীলতা তত্ত্বৰ পোষকতাকাৰীসকলৰ মতে-

ক) উন্নত দেশৰ অৰ্থনৈতিক বিকাশে দুখীয়া দেশবোৰৰ বিকাশ সাধন নকৰে। ইয়াৰ বিপৰীতে ধনী দেশবোৰত চলা অৰ্থনৈতিক কাৰ্যকলাপে প্ৰায়েই দুখীয়া দেশবোৰত গুৰুতৰ অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰে।

খ) দুখীয়া দেশে নিজৰ মুখ্য পণ্যদ্ৰব্যবোৰ ধনী দেশলৈ ৰপ্তানী কৰে। ধনী দেশে সেইবোৰৰ পৰা অন্য সামগ্ৰী প্ৰস্তুত কৰে আৰু তেনে সামগ্ৰী দুখীয়া দেশবোৰক বিক্ৰী কৰে।

গ) দুখীয়া দেশবোৰে আমদানি পৰিপূৰকৰ দিশটোত নিজকে সবল কৰি তোলা উচিত।

ঘ) ৰাজনীতিয়ে আগতকৈ অধিক অধিনায়কত্ববাদী ৰূপ ধাৰণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫. নিৰ্ভৰশীলতাৰ তত্ত্বৰ মূল চিন্তাসমূহ উল্লেখ কৰক।

প্ৰশ্ন নং ৬. উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰক-

ক) একাংশ আধুনিকীকৰণৰ তাত্বিকৰ মতে এই দেশবোৰে উন্নত দেশৰ ..... অনুসৰণ কৰি সহজেই উন্নয়নৰ পথেৰে অগ্ৰসৰ হ'ব পাৰে।

খ) লেটিন আমেৰিকাই বিশ্বাস কৰা সংৰচনাবাদ বিফল হোৱাৰ পাছত 'নিৰ্ভৰশীলতা'ৰ তত্ত্বটোৰ বিকাশ ঘটে।

১.৯ উন্নয়নৰ কেন্দ্ৰীয় ক্ষেত্ৰসমূহ

বিভিন্ন কাৰক আৰু খণ্ডই দেশ এখনৰ উন্নয়নক প্ৰভাৱিত কৰে। উন্নয়নক প্ৰভাৱিত কৰা এনে প্ৰধান ক্ষেত্ৰ কেইখনমান হ'ল-

ক) ৰাজনৈতিক উন্নয়ন ঃ দেশত ৰাজনৈতিক একতা আৰু ৰাজনীতিত নাগৰিকৰ অংশগ্ৰহণৰ মাত্ৰা বৃদ্ধি পালে দেশৰ উন্নয়ন সাধন হয়।

খ) বৈজ্ঞানিক বিকাশ ঃ এনে বিকাশে নাগৰিকৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে। সুসমন্বিত বহনক্ষম উন্নয়নে স্বাস্থ্য, জীৱন যাপন শৈলী, প্ৰযুক্তিবিদ্যা আদি সকলোতে সুফল প্ৰদান কৰে।

গ) সাংস্কৃতিক বিকাশ ঃ দেশৰ সৃজনাত্মক আৰু কলাসুলভ ঐতিহ্য আগবঢ়াই নিয়াত নাগৰিকৰ সৃজনীমূলক অংশগ্ৰহণে দেশ এখনৰ সংস্কৃতিক বিকাশ আৰু উন্নয়নৰ পন্থা কৰি তোলাত সহায় কৰে।

ঘ) অর্থনৈতিক বিকাশ ঃ এছোৱা নির্দিষ্ট সময়ৰ ভিতৰত অর্থনীতিৰ অন্তর্গত উৎপাদিত সকলো সামগ্রী আৰু সেৱাৰ মুদ্রা মূল্য বাঢ়ি যোৱাই হ'ল অর্থনৈতিক বিকাশ। ই এক প্রকাৰৰ পৰিমাণগত জোখ। ই অর্থনীতিত ক্রিয়াশীল হৈ থকা ব্যৱসায়িক লেনদেনৰ মাত্রাৰ সম্ভাব্য বৃদ্ধি প্রতিফলিত কৰে।

ঙ) সামাজিক বিকাশ ঃ ম্যনুহক নিজৰ পূর্ণ সম্ভাৱনাত উপনীত হ'ব পৰাকৈ দেশ এখনৰ প্রতিগৰাকী নাগৰিকৰে উন্নততৰ কল্যাণ সাধন কৰাই হ'ল সামাজিক বিকাশ।

১.১০ অর্থনৈতিক বিকাশ হিচাপে উন্নয়ন

অর্থনৈতিক বিকাশ হ'ল উন্নয়নৰ আধুনিক ধাৰণা। উন্নয়ন আৰু বিকাশক প্রগতি আৰু সুপৰিৱর্তন ৰূপে গণ্য কৰিব পাৰি। ভৌতিক, অর্থনৈতিক, পাৰিপার্শ্বিক, সামাজিক আৰু জনসংখ্যা গাঁথনিমূলক সকলো উপাদান সংযুক্তকৰণেই হ'ল উন্নয়ন।

এছোৱা নির্দিষ্ট সময়ৰ ভিতৰত অর্থনীতিৰ অন্তর্গত উৎপাদিত সকলো সামগ্রী আৰু সেৱাৰ মুদ্রা মূল্য বাঢ়ি যোৱাই হ'ল অর্থনৈতিক বিকাশ। ই এক প্রকাৰৰ পৰিমাণগত জোখ। ই অর্থনীতিত ক্রিয়াশীল হৈ থকা ব্যৱসায়িক লেনদেনৰ মাত্রাৰ সম্ভাব্য বৃদ্ধি প্রতিফলিত কৰে। সর্বমুঠ ঘৰুৱা উৎপাদন আৰু সর্বমুঠ ৰাষ্ট্রীয় উৎপাদনৰ দৰে অর্থনৈতিক ধাৰণাবোৰ প্রয়োগ কৰি অতিৰিক্ত সামগ্রী তথা সেৱাসমূহৰ গড় বজাৰ মূল্যত হোৱা বৃদ্ধি অনুসৰি এই বিকাশ জুখিব পাৰি।

আনহাতে, অর্থনৈতিক উন্নয়ন হ'ল এটা দীর্ঘম্যাদী প্রক্রিয়া। ইয়াৰ সহায়ত দেশ এখনৰ সাধাৰণ নাগৰিকৰ সামগ্রিক স্বাস্থ্য, কল্যাণ আৰু শিক্ষায়তনিক দিশবোৰ উন্নত হয়। ইয়াৰ বাবে চৰকাৰৰ হস্তক্ষেপৰ প্রয়োজন। কাৰণ, সকলো উন্নয়নমূলক নীতি চৰকাৰে প্রস্তুত আৰু বলবৎ কৰে।

অর্থনৈতিক উন্নয়নৰ প্রকৃতি গুণগত। ই দেশ এখনৰ নাগৰিকৰ জীৱন যাপনৰ মান উন্নত হোৱাতো বুজায়। ইয়াক জোখাৰ উপযুক্ত আধাৰ হ'ল মানৱ উন্নয়ন সূচ্যাংক। দেশ এখনৰ উন্নয়নে নির্ভৰ কৰা দুটামান গুৰুত্বপূর্ণ দিশ হ'ল- কর্মসংস্থাপনৰ পর্যাপ্ত সুবিধাৰ সৃষ্টি, প্রযুক্তিগত অগ্রগতি, উন্নত জীৱন যাপনৰ মান, বাস কৰা পৰিৱেশ, জনমূৰি আয়, জীৱনৰ গুণমান, আত্মপ্রত্যয় বৃদ্ধি, আৱশ্যকীয়তা পূৰণ, সর্বমুঠ ঘৰুৱা উৎপাদন, ঔদ্যোগিক আৰু আন্তঃগাঁথনিমূলক উন্নয়ন আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭. অর্থনৈতিক উন্নয়ন কি ব্যাখ্যা কৰক।

প্রশ্ন নং ৮. সাংস্কৃতিক বিকাশ মানে আপুনি কি বুজে চমুকৈ লিখক।

.....

১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

* উন্নয়নৰ প্রভাৱশালী নিদর্শনক 'আধুনিকীকৰণ'ৰ ৰূপত বিবেচনা কৰি চোৱা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এই ধাৰণাটো বিকশিত হৈছিল। ইয়াৰ প্রধান বিষয় হ'ল অনুন্নত দেশবোৰৰ 'আধুনিকীকৰণ' ঘটাই উন্নয়নৰ সমস্যাবোৰ সমাধান কৰা।

* অনুন্নত আৰু উন্নয়নশীল দেশবোৰৰ পৰা দৰিদ্রতা নির্মূল কৰাৰ এক বিকল্প উপায় হিচাপে আধুনিকীকৰণ প্রক্রিয়াটো গ্রহণ কৰাৰ কথা কোৱা হৈছিল। এই দৃষ্টিভংগী মতে উন্নয়নশীল দেশবোৰত পশ্চিমীয়া গণতান্ত্রিক প্রমূল্যবোৰৰ প্রচলন ঘটাইহে আধুনিকীকৰণ সমভৱ কৰি তুলিব পৰা যাব। অর্থাৎ, আধুনিকীকৰণ তত্ত্বই ভাবে যে 'তৃতীয় বিশ্ব'ৰ দেশবোৰ 'প্রথম বিশ্ব'ৰ দৰে দেশবোৰৰ দৰে উন্নত হোৱা উচিত। এই তত্ত্বই উন্নয়নৰ দুটা দিশত গুৰুত্ব দিয়ে।

* নির্ভৰশীলতা তত্ত্বৰ পোষকতাকাৰীসকলৰ মতে-

ক) উন্নত দেশৰ অর্থনৈতিক বিকাশে দুখীয়া দেশবোৰৰ বিকাশ সাধন নকৰে। ইয়াৰ বিপৰীতে ধনী দেশবোৰত চলা অর্থনৈতিক কার্যকলাপে প্রায়েই দুখীয়া দেশবোৰত গুৰুতৰ অর্থনৈতিক সমস্যাৰ সৃষ্টি কৰে।

খ) দুখীয়া দেশে নিজৰ মুখ্য পণ্যদ্রব্যবোৰ ধনী দেশলৈ ৰপ্তানী কৰে। ধনী দেশে সেইবোৰৰ পৰা অন্য সামগ্রী প্রস্তুত কৰে আৰু তেনে সামগ্রী দুখীয়া দেশবোৰক বিক্রী কৰে।

গ) দুখীয়া দেশবোৰে আমদানি পৰিপূৰকৰ দিশটোত নিজকে সবল কৰি তোলা উচিত।

ঘ) ৰাজনীতিয়ে আগতকৈ অধিক অধিনায়কত্ববাদী ৰূপ ধাৰণ কৰিছে।

* অর্থনৈতিক উন্নয়ন হ'ল এটা দীর্ঘম্যাদী প্রক্রিয়া। ইয়াৰ সহায়ত দেশ এখনৰ সাধাৰণ নাগৰিকৰ সামগ্রিক স্বাস্থ্য, কল্যাণ আৰু শিক্ষায়তনিক দিশবোৰ উন্নত হয়। ইয়াৰ বাবে চৰকাৰৰ হস্তক্ষেপৰ প্রয়োজন। কাৰণ, সকলো উন্নয়নমূলক নীতি চৰকাৰে প্রস্তুত আৰু বলবৎ কৰে।



১.১২ অধিক জানিবলৈ

1. Kumar, Keval J. (2010) *Mass Communication in India* (4th Ed. Revised and Enlarged). Jaico Publishing House, Mumbai.
2. Paul Hartman, B.R.Patel and Anita Dighe (Eds)(1988). *Mass Media and Village Life in India.* Sage Publications, New Delhi.
3. Graham Chapman, Keval Kumar, Caroline Fraser and Ivor Gaber. *Environmentalism and the Mass Media*. The North South Divide (1997). Routledge, London/New York.
4. Krishnan Sodhi. (1980). *Problems of Communication in Developing Countries*. Vision Publication, New Delhi.



১.১৩ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ সমাজৰ বিকাশ আৰু প্রগতিত সহায় কৰা আৰু সমাজলৈ ইতিবাচক পৰিবর্তন কঢ়িয়াই অনা প্রক্রিয়াটোকে উন্নয়ন বোলে। পাৰিপার্শ্বিকত থকা সমলবোৰৰ

কোনো ক্ষতি নকৰাকৈ সমাজৰ অর্থনৈতিক, পৰিবেশকেন্দ্রিক, সামাজিক আৰু জনসংখ্যামূলক উপাদানবোৰৰ বিকাশ সাধন কৰাত উন্নয়নে প্রধান ভূমিকা লয়। সম্প্রদায় এটাৰ জীবন যাপনৰ মান উন্নত কৰাধ সুযোগ দিয়া আৱশ্যকীয় চর্তবোৰ বাস্তব কৰি তোলা প্রক্রিয়াটোৱেই উন্নয়ন। সামজিক দৃষ্টিকোণেৰে উন্নয়ন মানে হ'ল সামাজিক গাঁথনিটোত ঘটা পৰিবর্তন অথবা সমাজ এখনৰ অন্তর্গত বিভিন্ন দল আক এককে সম্পাদন কৰা প্রকার্যবোৰ সলনি হোৱাৰ প্রক্রিয়া।

২নং প্রশ্নৰ উত্তৰঃ ক) মৌলিক প্রয়োজনীয়তা পন্থা খ) প্রতিখন দেশেই, অন্তর্জাত বৈশিষ্ট্য গ) হিতাধিকাৰী

৩নং প্রশ্নৰ উত্তৰঃ আন্তর্জাতিক সংস্থাবোৰে - জনমূৰি আয়, দেশখনৰ অর্থনৈতিক সংৰচনা, নগৰীকৰণ প্রক্রিয়া, জীবন যাপনৰ মান, মানব উন্নয়ন সূচ্যাংক (Human Development Index)ৰ ভিত্তিত দেশ এখন কিমান উন্নত সেয়া নির্ধাৰণ কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ ৰোজার্চে ১৯৬২ চনত বিকশাই তোলা উদ্ভাবনৰ প্রসাৰ তত্ত্ব (the Diffusion of Innovation Theory) টোৱে আধুনিকীকৰণৰ নিদর্শনৰ অর্থনৈতিক তথা প্রযুক্তিবিদ্যাগত দিশবোৰত গুৰুত্ব দিয়ে। তত্ত্বটোৰ মতে আধুনিকীকৰণ হ'ল প্রসাৰৰ জৰিয়তে সম্পন্ন হোৱা এটা প্রক্রিয়া। এই প্রক্রিয়াৰ মাধ্যমেৰে ব্যক্তিক জীবন যাপনৰ পৰম্পৰাগত পদ্ধতিবোৰ এৰি এটা সুকীয়া কিন্তু কাৰিকৰী দিশেৰে উন্নত জীবন যাপন পদ্ধতি গ্রহণ কৰিবলৈ পতিয়ন নিওৱা হয়। এই প্রসাৰ প্রক্রিয়াত গণ সংযোগৰ বিষয়ত গুৰুত্ব আৰোপ কৰি ৰোজার্চে কৈছিল যে সজাগতা সৃষ্টিৰ ক্ষেত্রত এটা দ্বি-ঢাপ প্রবাহ প্রক্রিয়াই কাম কৰে। গণ মাধ্যমৰ আন্তঃ-ব্যক্তিগত চেনেল, বিশেষকৈ 'মতামত প্রদানকাৰী নেতা'ৰ দ্বাৰা অনুকূল মনোভাৱ গঢ়ি তুলিব পৰা যায়। আৰু এনেকৈয়ে মানুহে নতুন পদ্ধতিৰ সৈতে বা উন্নয়নৰ নতুন প্রপঞ্চসমূহৰ সৈতে খাপ খাই পৰে।

৫ নং প্রশ্নৰ উত্তৰঃ নির্ভৰশীলতা তত্ত্বৰ পোষকতাকাৰীসকলৰ মতে, উন্নয়নৰ ক্ষেত্রখনত কিছুসংখ্যক বিশেষ চিন্তনীয় দিশ আছে। সেইসমূহ হ'ল-

ক) উন্নত দেশৰ অর্থনৈতিক বিকাশে দুখীয়া দেশবোৰৰ বিকাশ সাধন নকৰে। ইয়াৰ বিপৰীতে ধনী দেশবোৰত চলা অর্থনৈতিক কার্যকলাপে প্রায়েই দুখীয়া দেশবোৰত গুৰুতৰ অর্থনৈতিক সমস্যাৰ সৃষ্টি কৰে।

খ) দুখীয়া দেশে নিজৰ মুখ্য পণ্যদ্রব্যবোৰ ধনী দেশলৈ ৰপ্তানী কৰে। ধনী দেশে সেইবোৰৰ পৰা অন্য সামগ্রী প্রস্তুত কৰে আৰু তেনে সামগ্রী দুখীয়া দেশবোৰক বিক্রী কৰে।

গ) দুখীয়া দেশবোৰে আমদানি পৰিপূৰকৰ দিশটোত নিজকে সবল কৰি তোলা উচিত।

আৰু, ঘ) ৰাজনীতিয়ে আগতকৈ অধিক অধিনায়কত্ববাদী ৰূপ ধাৰণ কৰিছে।

৬ নং প্রশ্নৰ উত্তৰঃ ক) আধুনিকীকৰণ, পদাংক খ) নির্ভৰশীলতাৰ তত্ত্ব

৭ নং প্রশ্নৰ উত্তৰঃ অর্থনৈতিক উন্নয়ন এটা দীর্ঘম্যাদী প্রক্রিয়া। ইয়াৰ সহায়ত দেশ এখনৰ সাধাৰণ নাগৰিকৰ সামগ্রিক স্বাস্থ্য, কল্যাণ আৰু শিক্ষায়তনিক দিশবোৰ উন্নত হয়। ইয়াৰ বাবে চৰকাৰৰ হস্তক্ষেপৰ প্রয়োজন। অর্থনৈতিক উন্নয়নৰ প্রকৃতি গুণগত। ই দেশ এখনৰ নাগৰিকৰ জীবন যাপনৰ মান উন্নত হোৱাতোৱেই বুজায়।

৮ নং প্রশ্নৰ উত্তৰঃ সাংস্কৃতিক বিকাশ মানে হৈছে দেশৰ সৃজনাত্মক আৰু কলাসুলভ ঐতিহ্য আগবঢ়াই নিয়াত নাগৰিকৰ সৃজনীমূলক অংশগ্রহণ। দেশ এখনৰ সংস্কৃতিক বিকাশ আৰু পৰিপূর্ণ উন্নয়নত ই সহায় কৰে।



১.১৪ আৰ্হি প্রশ্ন

ক. অতি চমু প্রশ্ন (প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

১) এখন দেশৰ উন্নয়ন বুলিলে কি বুজে?

২) দেশ এখনৰ উন্নয়নত গণ মাধ্যমে কি ভূমিকা পালন কৰে?

খ) চুটি প্রশ্ন (প্রায় ১৫০টা মান শব্দত উত্তৰ দিয়ক)

১) মৌলিক প্রয়োজনীয়তা পন্থাৰ মূল বৈশিষ্ট্যবোৰ কি কি?

২) উন্নয়নৰ প্রভাৱশালী নিদর্শন মানে কি?

৩) উন্নয়ন বিষয়ক দৃষ্টিভংগীবোৰ উল্লেখ কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০টা মান শব্দত উত্তৰ দিয়ক)

১) উন্নয়নৰ আধুনিকীকৰণ আৰু নির্ভৰশীলতাৰ দৃষ্টিভংগী দুটা বর্ণনা কৰক।

২) উন্নয়ন নির্ণয়কাৰী দিশবোৰ আলোচনা কৰক।

৩) অর্থনৈতিক বিকাশৰ উন্নয়নৰ সৈতে কি সম্পর্ক আছে?

৪) উন্নয়নৰ কেন্দ্রীয় ক্ষেত্রবোৰ কি কি?

*** ***** ***